# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | AUGUST 2023 | No. 02


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

**গীতমালা ১০৩ ঃ ৮-১৭**

৮। যিহোৱা কৃপা আৰু দয়াৰে পৰিপূৰ্ণ, ক্ৰোধত ধীৰ আৰু দয়াত মহান।

৯। তেওঁ সদায় ধমকি দি নাথাকিব, তেওঁ চিৰকাললৈকে ক্ৰোধো নাৰাখিব।

১০। তেওঁ আমাৰ পাপ অনুসাৰে আমালৈ কাৰ্য্য কৰা নাই, আমাৰ অধৰ্ম অনুসাৰে আমাক প্ৰতিফল দিয়া নাই।

১১। কিয়নো পৃথিৱীতকৈ আকাশ-মণ্ডল যিমান ওখ, তেওঁলৈ ভয় ৰাখোতাবিলাকলৈকো তেওঁৰ অনুগ্ৰহ সিমান মহৎ।

১২। পূবৰ পৰা পশ্চিমলৈ যিমান দূৰ, তেওঁ আমাৰ অপৰাধো আমাৰ পৰা সিমান দূৰ কৰিলে।

১৩। বাপেকে নিজ সন্তানক স্নেহ কৰাৰ দৰে, যিহোৱাই তেওঁলৈ ভয় ৰাখোতাবিলাকক কৃপা কৰে;

১৪। কিয়নো তেৱেঁই আমাৰ গঠন জানে, আমি যে ধূলি মাথোন, তাক তেওঁ সোঁৱৰণ কৰে।

১৫। মানুহৰ আয়ুস হ'লে তৃণৰ নিচিনা; পথাৰৰ ফুলৰ দৰে সি প্ৰফুল্লিত হয়।

১৬। কিয়নো তাৰ ওপৰেদি বায়ু বলালেই সি নাইকিয়া হ'ব আৰু তাৰ ঠায়ে তাক আৰু চিনি নাপাব।

১৭। কিন্তু যিবিলাকে যিহোৱাৰ নিয়মটি ৰক্ষা কৰে আৰু তেওঁৰ আদেশবোৰ পালন কৰিবলৈ সোঁৱৰণ কৰে, তেওঁৰ এনে ভয়কাৰীবিলাকৰ ওপৰত তেওঁৰ দয়া অনাদি কালৰ পৰা অনন্ত কাললৈকে থাকে, আৰু তেওঁবিলাকৰ পো-নাতিবিলাকৰ ওপৰত তেওঁৰ ধাৰ্মিকতা থিৰে থাকে।

## আখোৰ উপত্যকা ঃ আশাৰ এটি দ্বাৰ

THE VALLEY OF ACHOR:

A DOOR OF HOPE!

**পালক এঞ্জেলীন ছেলভাকুমাৰী**





যীচুখ্ৰীষ্টৰ নামত শুভেচ্ছা জনালো। ২০২৩ বৰ্ষৰ যোৱা সাতোটা মাহেই ঈশ্বৰে আমাক তেওঁৰ অনুগ্ৰহৰ দ্বাৰাই ভালে কুশলে ৰখাৰ বাবে ধন্যবাদ জনাও। কিছুমানৰ বাবে, এই বৰ্ষটি আশীৰ্বাদৰ বৰ্ষ হ'ব পাৰে আৰু কিছুমানৰ বাবে তেনে নহবও পাৰে। কিছুমানৰ বাবে তেওঁলোকৰ জীৱনত এই বৰ্ষটি অতি বেয়া বৰ্ষ হ'ব পাৰে, আৰু আনবিলাকৰ বাবে আটাইতকৈ ফলদায়ক বৰ্ষ হ'ব পাৰে! আমি মনত ৰাখিবলগীয়া বিষয়টো হৈছে আমাৰ প্ৰতিটো পৰিস্থিতিত ঈশ্বৰ ভাল হৈ থাকক আৰু তেওঁ আমাৰ বাবে যিহকে কৰে সেয়ে ভাল! যদি আমি তেওঁত আশা কৰো, ভাৰসা ৰাখো আৰু বিশ্বাস কৰো, তেওঁ আমাৰ মঙ্গলৰ অৰ্থে সকলো কাৰ্য্য একেলগে কৰিব (ভাল, বেয়া আৰু কুৎসিত)। সকলোবিলাকেই আশীৰ্বাদলৈ পৰিৱৰ্তন হ'ব কিয়নো তেওঁ এজন বিশ্বাসী ঈশ্বৰ আৰু উত্তম পিতৃ হয়।

মই যেতিয়া যিহোচূৱাৰ পুস্তক অধ্যয়ন কৰি আছিলো, আখোৰ উপত্যকাত ঘটা ঘটনাৰ বিষয়ে গভীৰভাৱে চিন্তাত পৰিছিলো। এটা বহুত দুখলগা আৰু উপদ্ৰৱৰ কাহিনী হয়। **ই এটা এনে ঠাই য'ত আখান আৰু তেওঁৰ পৰিয়ালক শিল দলিয়াই মাৰিছিল আৰু সকলোকে জুইত পোৰা হৈছিল; গতিকে ইস্ৰায়েলবিলাকে এই ঠাইক আখোৰ উপত্যকা নাম দিছিল।** (যিহোচূৱা ৭ঃ২৫,২৬)।

৪ পৃষ্ঠাত চাওঁক


ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

REACHING NATIONS



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**

Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**

Bro. N. Prakasam, M.A., General Manager
Dr. Rabinder Boaz, M.S.
Bro. K. Puratchivendan

**EDITORIAL BOARD**

Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.mail ID**

sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**

www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**

Echo of His Call


### “যিহোৱাই তোমালোকক আশীৰ্বাদ কৰি ৰাখক”

- গণনা পুস্তক ৬ঃ২৪

### জাল ফাটে! এইটো আপোনাৰ সময়!!

**THE NET BREAKS! THIS IS YOUR TIME!!**

আটাইতকৈ প্ৰিয় ঈশ্বৰৰ সন্তানসকল!

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তাৰ অতুলনীয় নামত আমি আপোনালোকক শুভেচ্ছা জনাইছো। বিশ্বব্যাপী দৃষ্টিভঙ্গী ৰাখি, যিকোনো প্ৰকাৰে আমি যীচুখ্ৰীষ্টৰ শুভবাৰ্তাক গোটেই পৃথিৱীত বিয়পাই দিবলৈ ইচ্ছা কৰিছো। তলত উল্লেখ কৰা আমাৰ পৰিচৰ্য্যাসমূহ সীমাৰ বাহিৰত বিয়পি গৈছেঃ

১। ১৬ টা ভাষাত **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ** আলোচনীসমূহক ডাকযোগে আৰু ই-মেইলযোগে প্ৰেৰণ।

২। থিয়'ল'জীকেল যোগাযোগ পাঠ্যক্ৰম (তামিল, ইংৰাজী আৰু হিন্দী)।

৩। মণ্ডলী পৰিচৰ্য্যাসমূহ (কেন্দ্ৰমণ্ডলী আৰু শাখা মণ্ডলীসমূহ)

৪। **নহিমিয়া বাইবেল কলেজ** (চেপাক আৰু সন্তোষা পুৰাম - তামিল আৰু ভেলাচেৰি - হিন্দী)

৫। **চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল** (ইংৰাজী মাধ্যম)

৬। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ** ছপাশাল।

৭। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ** ইউ-টিউব চেনেল প্ৰতিদিনে পুৱা ৫ বজাৰ পৰা ৫ মিনিটৰ বাবে তামিল, তেলেগু, হিন্দী আৰু ইংৰাজীত ঈশ্বৰৰ শুভবাৰ্তা আপলোড কৰে। দেওবৰীয়া বাৰ্তাও আপলোড কৰে। আৰু আন আন মিডিয়া পৰিচৰ্য্যা আছে।



**পালক চামৰ সৈতে কিছুমান গ্ৰেজুৱেট ছাত্ৰসকল - ২০২৩।**

ওপৰৰ সকলো পৰিচৰ্য্যাত ঈশ্বৰে তেওঁৰ অনুগ্ৰহ যোগায় আছে। এই সকলো কাৰ্য্যত আপোনাৰ প্ৰাৰ্থনা, উৎসাহজনক বাক্য আৰু সহায়ৰ দ্বাৰাই সম্ভৱ হৈ আছে। আমি যেতিয়া এই পৰিচৰ্য্যাক সত্য আৰু সততাৰে কৰি যাওঁ, চয়তানে তেওঁৰ চতুৰ আঁচনিৰ সৈতে আমাক যিদৰে আক্ৰমণ কৰি আছে তাক আমি মুকলিকৈ ক'ব নোৱাৰো। আপুনি আমাৰ বাবে প্ৰাৰ্থনা কৰিবনে?

আমাৰ **নহিমিয়া বাইবেল কলেজৰ** কাৰ্য্যকলাপসমূহ অতি দ্ৰুত গতিত আগবাঢ়ি গৈ আছে। যিজন ঈশ্বৰে ডাকযোগে (বিব্লেকৰ) বাইবেল পাঠ্যক্ৰম আৰু থিয়'ল'জীকেল যোগাযোগ পাঠ্যক্ৰম আৰম্ভ কৰাত আমাক সহায় কৰিলে, এতিয়া আমাক নতুন নিয়মীয়া পাঠ্যক্ৰম (সন্ধ্যা আৰু বাসগৃহ) আৰম্ভ কৰাত সহায় কৰিছে।

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ¤ BIBLECOR - Postal Courses (3 languages) ¤ Media Ministry ¤ Online Courses ¤ Theological Correspondence Courses (2 languages) ¤ Church Planting ¤ Nehemiah Bible Colleges ¤ Gospel Printing Press ¤ Great Commission Partners ¤ St. Paul's Matriculation School ¤ Crusades ¤ Community Development



নহিমিয়া বাইবেল কলেজ-চান্তচাপুৰাম - বিশেষ সভা

সান্তোষা পুৰামত পুনৰায় বাইবেল কলেজ আৰম্ভ কৰাৰ উদ্দেশ্য সন্তোষা পুৰামৰ আমাৰ পৰিচৰ্য্যা চৌহদত যোৱা ৪ জুনত, আমাৰ নহিমিয়া বাইবেল কলেজৰ আধ্যাত্মিক বিদ্বানসকলৰ আৰু বিশেষ অতিথিসকলৰ আলোচনা অনুষ্ঠিত হয়।

আমাৰ সন্তোযাপুৰামৰ চৌহদত থকা তৃতীয় **নহিমিয়া বাইবেল কলেজ** আৰম্ভ কৰিবলৈ প্ৰাৰ্থনাৰে সিদ্ধান্ত লোৱা হৈছে, য'ত চি, টি, এইচ, ডিপ,টি, এইচ, আৰু বি, টি, এইচ, পাঠ্যক্ৰম প্ৰদান কৰা হ'ব আৰু গতিকে আমি এই কাৰ্য্যত সক্ৰিয়ভাৱে ব্যস্ত হৈ আছো। ঈশ্বৰৰ লোকসকলে মনত অনেক প্ৰশ্ন কৰিব পাৰেঃ "যেতিয়া পৰিচৰ্য্যাত ইতিমধ্যে ইমান সংগ্ৰাম আৰু সমস্যাবিলাক আছে তেন্তে কিয় নতুন এটা পৰিচৰ্য্যা আৰম্ভ কৰিব লাগে?" এইটো কিন্তু সত্য যে ঈশ্বৰে আমাৰ হৃদয়ত নতুন নতুন পৰিকল্পনাত ব্যস্ত হ'বলৈ হেঁচা দি আছে। গতিকে আমি মনে মনে থাকিব নোৱাৰিম। সকলো কাৰ্য্য ঈশ্বৰৰ পৰিকল্পনাৰ মতে সিদ্ধ হ'ব।

আমাৰ কেৱল এটাই জীৱন আছে আৰু ই সোনকালে গুচি যাব এইটো মোৰ হৃদয়ৰ এটা ইচ্ছা যে আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ বাবে যি সম্ভৱ তাকেই কৰিম।

আমাৰ ইতিমধ্যে প্ৰায় ২০০ জন ঈশ্বৰক সম্পূৰ্ণ সময় দিয়া কৰ্মী আৰু অৰ্থৰ অভাৱ আছে আমি বাইবেলৰ এই অধ্যায় পদটোক মনত ৰাখি নতুন কলেজৰ এই আঁচনিক আগবঢ়াবলৈ লৈছোঃ



**'চোৰা, অহঙ্কাৰীলোকৰ মন সৰল নহয়, কিন্তু ধাৰ্মিক লোক নিজ বিশ্বাসৰ দ্বাৰাই জীয়াই থাকিব।** (হবক্কুক ২:৪) **"কিন্তু মোৰ ধাৰ্মিক জন বিশ্বাসৰ দ্বাৰাই জীৱ; কিন্তু যদি হুহঁকি যায়, তেন্তে মোৰ প্ৰাণ সেই জনত সন্তুষ্ট নহ'ব"** (ইব্ৰী ১০:৩৮)।

লুক ৫ অধ্যায়ত আমি পঢ়িবলৈ পাওঁ, কিদৰে প্ৰভু যীচুখ্ৰীষ্টই শিষ্যসকলক অধিক মাছ ধৰিবলৈ সক্ষম কৰিলে যিটো তেওঁলোকৰ ক্ষমতাৰ বাহিৰত আছিল। জালত ইমানেই বেছি মাছ উঠিল যে জালখন ফাটো ফাটো অৱস্থা হৈছিল। আনকি তেওঁলোকে আন আন নাৱৰীয়াৰ পৰা সহায় বিচাৰিলে। কিয়নো তেওঁলোকে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে।



**তেতিয়া আহি সহায় কৰিবলৈ, আন নাৱত থকা তেওঁলোকৰ ভাগী মানুহক হাত বাউল দি মাতিলত, তেওঁলোকে আহি দুয়োখন নাৱ এনেকৈ ভৰালে যে নাও ডুবো ডুবো হ'ল।** (লুক ৫:৭)।

একেদৰে, প্ৰভুৱে আমাৰ **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ** আটাই পৰিচৰ্য্যাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰিছে, অগণন আচৰিত কাৰ্য্য কৰিছে আৰু মুক্তিপণ স্বৰূপে অনেক আত্মাবিলাকক আমালৈ যোগাইছে।

পঢ়ুৱৈসকলক ইঙ্গিত দিব বিচাৰো যে আপোনালোকে আহি আমাৰ পৰিচৰ্য্যাসমূহক চাওঁক। আহক, আমি কৰা ঈশ্বৰৰ পৰিচৰ্য্যাসমূহক চাওঁক। আপুনি উপলব্ধি কৰিব যে প্ৰভু যীচুত থকা আমাৰ বিশ্বাসে কিদৰে কাৰ্য্য কৰিছে তাক দেখা পাব।



যদিও আমাৰ তেনে কোনো আৰ্থিক উপাৰ্জন নাই, যিবিলাকে প্ৰভুত ভাৰসা ৰাখে প্ৰভুৱে তেওঁক প্ৰতিদিনেই চলাই। তেওঁ বিশ্বাসী ঈশ্বৰ। **যিজনাই তোমালোকক আমন্ত্ৰণ কৰিছে, তেওঁ বিশ্বাসী, তেৱেঁই তাক কৰিব।** (১ থিচলনীকীয়া ৫:২৪)।

আত্মাৰে ভৰি পৰাৰ বাবে আমাৰ জাল ফাটো ফাটো হৈ আছে। কোনো বিজ্ঞাপন নোহোৱাকৈয়ে অনেক পৰিচৰ্য্যা চলাই নিয়া হৈছে! অনেক সংখ্যাৰ ঈশ্বৰৰ দাসসকল আছে !! আমি পৰিচালনা কৰিবলৈ সংগ্ৰাম কৰি আছো!!! যিকোনো প্ৰকাৰে আমাক সহায় কৰিবলৈ আগবাঢ়ি আহক। আত্মাৰে ভৰি পৰি আমাৰ যি জালখন ফাটো ফাটো হৈ আছে সেই **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি** পৰিচৰ্য্যালৈ সহায়ৰ হাত আগবঢ়াওক। অহা মাহৰ ১০ আগষ্টত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাই ৫৫ তম বৰ্ষত প্ৰৱেশ কৰিব। আজিলৈকে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহক পৰিচালনা কৰি আছে। দয়া কৰি প্ৰাৰ্থনা কৰক যাতে আমাৰ সমস্যা আৰু কষ্টবোৰৰ অতি সোনকালে পৰিৱৰ্তন হ'ব। অনুগ্ৰহ কৰি সহায় কৰক।

আপুনি যি পাৰে তাকে কৰক! আপুনি যিহকে কৰিবলৈ প্ৰৰোচিত হৈছে তাকে কৰক!!

ঈশ্বৰৰ অনুগ্ৰহ আপোনালোকৰ সৈতে সদাকাললৈকে থাকক।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ
আৰু এলেক্স চেমচন চাম।
(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

আখোৰ উপত্যকাৰ অৰ্থ হৈছে “কষ্ট” বা ‘যান্ত্ৰণা” আৰু এই ঠাই কিদৰে “আশাৰ এটি দ্বাৰ” হ'ল। যিখন ঠাই যন্ত্ৰণা, কষ্ট, ব্যৰ্থ, অভিশাপ, মৃত্যু, ধ্বংস আৰু নিৰাশাৰ ঠাই হৈ আছিল - কিদৰে সেই ঠাইখন এটি আশা, নতুন জীৱন আৰু এক নতুন আৰম্ভণীৰ ঠাইলৈ পৰিণত হৈছিল? মই নাজানো আপোনালোকৰ কিমানে এই বাক্যটি পঢ়িছে, কিন্তু এই সময়ত মই আখোৰ উপত্যকাত আছো, য'ত সকলো মৃত আৰু শেষ আৰু মোৰ বাবে একোৱেই কাম কৰা নাই। মই সকলো ত্যাগ দিয়াৰ সীমাতেই আছো। ৰক্ষা পোৱাৰ কোনো পথ নাই। মই চেষ্টা কৰিলো। কিন্তু হায় হায়! আগলৈ যাবলৈ কোনো পথ নাই। কিন্তু মোৰ ওচৰত আপোনালোকৰ বাবে এটি ভাল খবৰ আছে ঃ যি উপত্যকা ব্যৰ্থতা আৰু ধ্বংসৰ এটি চিন হৈ আছিল এটি আশাৰ দ্বাৰত পৰিণত হ'ল আৰু প্ৰাৰ্থনা কৰক যাতে সেই একেজনা ঈশ্বৰে আপোনালোকৰ জীৱনত অতি ধুনীয়া, ৰঙীন আৰু অৰ্থপূৰ্ণত পৰিণত কৰিব। কিয়নো তেওঁ হৈছে ঈশ্বৰ আৰু শূন্যৰ পৰা সকলো মহান কাৰ্য্য কৰিব পাৰে।

আহক আমি আখোৰ উপত্যকাৰ তাৎপৰ্য্য চাওঁহক। তাৰবাবে আমি আগেয়ে ঘটি যোৱা যুদ্ধৰ বিষয়ে জানি ল'ব লাগিব। নতুন চলাওতা যিহোচুৱাৰ অধীনত চলা যিৰীহোৰ যুদ্ধখন যিহোচুৱা আৰু ইস্ৰায়েল লোকবিলাকৰ বাবে এক উল্লেখযোগ্য বিজয় আছিল। তেওঁলোকৰ বোধগম্যতাৰ বাহিৰত, তেওঁলোকে ঈশ্বৰৰ অতিপ্ৰাকৃতিক শক্তিক অভিজ্ঞতা পাবলৈ সক্ষম হৈছিল। সেই বিজয় মনুষ্যৰ শক্তিৰ বাহিৰত আছিল। তেওঁলোকে দেখা পাইছিল যে ঈশ্বৰে কিদৰে তেওঁলোকৰ বাবে যুদ্ধ কৰিছিল। ঠিক আমাৰ দৰে এবাৰ যেতিয়া ঈশ্বৰৰ পৰা মহান বিজয়ৰ অভিজ্ঞতা পালে তেওঁলোক প্ৰসন্ন হৈছিল। যেতিয়া আমিও ঈশ্বৰৰ আশীৰ্বাদ পাওঁ তেতিয়া আমিও সন্তোষ পাওঁ আমাৰ আশীৰ্বাদৰ উৎস কোন হয় তাক পাহৰিবলৈ আৰম্ভ কৰো আৰু আশীৰ্বাদৰ সুস্বাদ লৈ থাকো। আমি উপলব্ধি নকৰো যে এই একেই আশীৰ্বাদে আমাৰ বাবে ফান্দ হ'ব পাৰে। আমাৰ আশীৰ্বাদ আমাৰ বাবে ফান্দৰ দৰে নহওক। যিৰীহো বিজয়ৰ পাছত, ঈশ্বৰৰ লোকবিলাকে এখন সৰু নগৰ অয়ৰ বিৰুদ্ধে যুদ্ধৰ সন্মুখীন হৈছিল। অলপ আগতে এখন শক্তিশালী দেশ যিৰীহোৰ বিৰুদ্ধে যুদ্ধ কৰি তেওঁলোক জয়যুক্ত হৈছিল, গতিকে তেওঁলোকে এই ক্ষুদ্ৰ আৰু তুচ্ছ অয়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অনিচ্ছুক হোৱা নাছিল। তেওঁলোকে পাহৰি গৈছিল যে আগৰ জয়যুক্ত তেওঁলোকৰ নিজৰ শক্তিৰে নহয় ঈশ্বৰৰ পৰাহে আহিছিল। এতিয়া তেওঁলোকে অয়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ নিজেই সিদ্ধান্ত লৈছিল। এইটোৱেই তেওঁলোকলৈ এক ডাঙৰ দুৰ্যোগ আনিলে।

**এই হেতুকে লোকবিলাকৰ মাজৰ পৰা তিনি হাজাৰ মান লোক সেই ঠাইলৈ উঠি গ'ল; কিন্তু তেওঁবিলাক অয়ৰ মানুহবিলাকৰ আগৰপৰা পলাল। আৰু অয়ৰ মানুহবিলাকে তেওঁবিলাকৰ ছয়ত্ৰিশজনমান লোকক মাৰিলে, আৰু সিহঁতে নগৰৰ দুৱাৰৰ আগৰপৰা চবাৰীমলৈকে খেদি নিলে, আৰু নামি যোৱা বাটত তেওঁবিলাকক প্ৰহাৰ কৰিলে, তাতে তেওঁবিলাকৰ হৃদয় ভয়ত পমি পানী যেন হ'ল** (যিহোচুৱা ৭ঃ৪,৫)

*৬ পৃষ্ঠাত চাওঁক*

## বিশেষ খবৰ

১। যোৱা ৩ জুনত, পুৰাচাৱালকাম বি কে এনৰ চৌহদত ২০২২-২০২৩ বৰ্ষৰ নহিমিয়া বাইবেল কলেজত আমাৰ সমাবেশৰ আয়োজন কৰা হৈছিল। বাইশজন (ছাত্ৰ আৰু ছাত্ৰীসকলৰ) উপাধিকৰণ কৰা হ'ল আৰু তেওঁলোকক পৰিচৰ্য্যাৰ ক্ষেত্ৰলৈ পঠিওৱা হ'ল।

২। যোৱা ৫ জুনৰ পৰা, চেন্নাইৰ চেপাক আৰু ভেলাচেৰীত তামিল আৰু হিন্দী মাধ্যমত **নহিমিয়া বাইবেল কলেজ** আৰম্ভ কৰা হ'ল।

৩। যোৱা ৩ জুলাই ২০২৩ তাৰিখে, আমাৰ সন্তোষাপুৰম চৌহদত তামিল ভাষাত **নহিমিয়া বাইবেল কলেজ** আৰম্ভ কৰা হ'ল।

৪। আমাৰ **চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলখন** নিম্ন শ্ৰেণীৰ পাঠদানসমূহ ১২ জুনৰ পৰা আৰম্ভ কৰা হ'ল আৰু উচ্চ শ্ৰেণীৰ বাবে ১৪ জুনৰ পৰা আৰম্ভ কৰা হ'ল। নতুন নতুন ছাত্ৰ-ছাত্ৰীসকলে এই স্কুলত নামভৰ্তি কৰিছে।

**হে ভাইবিলাক, আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰিবা।** (১ থিচলনীকীয়া ৫ঃ২৫)


# नहेम्याह बाइबल कॉलेज
## रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

ECHO OF HIS CALL 50 REACHING NATIONS

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

*सदस्यता के लिए पंजीकृत उम्मीदवार* - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान

**Diploma in Ministry : One year**
**Diploma in Theology : Two years**
**Bachelor of Theology : Three years**

योग्यता 10 वी या अधिक
जल्दी करें!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ আগষ্টৰ পৰা ২০২৩ চনৰ ১৮ ছেপ্তেম্বৰ**

### ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

আগষ্ট ১৯ ঃ যোৱা ৩ জুলাই, ২০২৩ তাৰিখে সন্তোষাপুৰামত নহিমিয়া বাইবেল কলেজখনক পুনৰ আৰম্ভ কৰাত আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ২০ ঃ নহিমিয়া বাইবেল কলেজত বি, টি এইচ পাঠ্যক্ৰম আৰম্ভ কৰাত আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ২১ ঃ চেপাক, ভেলাচেৰিত আৰু সন্তোষাপুৰামত আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে নতুন অধ্যক্ষ ৰেভাঃ জন ষ্টেনলিক যোগায় দিয়াৰ বাবে।

আগষ্ট ২২ ঃ আমাৰ ১৬ টা ভাষাত পাব্লিকেশ্বনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আনুষ্ঠানিকতা আৰু ৰেজিষ্টাৰড নিউজ পেপাৰ অফ ইণ্ডিয়া (আৰ এন, আই) ৰ ই-ফাইলিংৰ ফালে তেওঁৰ সহায়ৰ বাবে।

আগষ্ট ২৩ ঃ সমৰ্পিত কৰ্মীসকলৰ সৈতে আমাক আশীৰ্বাদৰ বাবে যিবিলাকে একমনেৰে তেওঁলোকৰ কৰ্তব্যক পালন কৰি আছে।

আগষ্ট ২৪ ঃ ভাই, ইন্দ্ৰজিত ৰয়ক তেওঁৰ ৰোগৰ পৰা সুস্থ হোৱাত সহায় কৰাৰ বাবে।

আগষ্ট ২৫ ঃ আমাক নৈতিকভাৱে আৰু আৰ্থিকভাৱে সহায় কৰা অংশীদাৰসকলৰ সৈতে আমাক আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ২৬ ঃ যোৱা ১০ আগষ্টত আমাৰ ৫৫ তম বাৰ্ষিকী সভাক আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ২৭ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত যুৱক আৰু যুৱতীসকলৰ সহভাগিতাত আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ২৮ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনীৰ কাৰ্য্যক সহায় কৰাৰ বাবে।

আগষ্ট ২৯ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ কৰ্মীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ৩০ ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ কৰাৰ বাবে।

আগষ্ট ৩১ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে তেওঁৰ দয়াৰ বাবে।

ছেপ্তেম্বৰ ০১ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী পৰিচৰ্য্যাক সহায় কৰা আমাৰ সহকাৰী সম্পাদকসকলক আশীৰ্বাদ কৰাৰ বাবে।

ছেপ্তেম্বৰ ০২ ঃ প্লেট মাৰ্কেট, প্লেট গ্ৰাইণ্ডাৰ, স্ক্ৰীন প্ৰিণ্টাৰচ ফালৰ পৰা বাহ্যিক সহায়ৰ সৈতে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাৰ সমূহক আশীৰ্বাদ কৰাৰ বাবে।

ছেপ্তেম্বৰ ০৩ ঃ আমাৰ সকলো কৰ্মী আৰু পৰিয়ালবৰ্গক ৰক্ষা কৰাৰ বাবে অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক।

### অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

ছেপ্তেম্বৰ ০৪ ঃ আমাৰ জ্যেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক নিৰাপত্তা আৰু সকলো মন্দ শক্তিৰ পৰা ৰক্ষাৰ বাবে।

ছেপ্তেম্বৰ ০৫ ঃ আমাৰ প্ৰযুক্তিগত কৰ্মীসকল যেনে ছপাশাল চলোৱা, গাড়ী চালকসকল আৰু কম্পিউটাৰ চলোৱা সকলৰ বাবে।

ছেপ্তেম্বৰ ০৬ ঃ বিৰোধীবিলাকৰ দ্বাৰাই আক্ৰমণত পৰি কষ্ট পায় থকা খ্ৰীষ্টিয়ানসকলৰ পুনৰ্বাসৰ বাবে।

ছেপ্তেম্বৰ ০৭ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ ২০২৩-২৪ শিক্ষাবৰ্ষত বাসগৃহ আৰু সন্ধ্যাৰ ক্লাচত যোগ্য ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ বাবে।

ছেপ্তেম্বৰ ০৮ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে আমাৰ যিসকল সহকৰ্মী শিক্ষা দিয়াত আৰু পাঠ্যক্ৰমৰ বিষয় বস্তুবিলাকক অনুবাদ কৰাত ব্যস্ত আছে।

ছেপ্তেম্বৰ ০৯ ঃ খ্ৰীষ্টিয়ান প্ৰচাৰকসকলে কোনো জালিয়াতি নকৰাকৈ শুদ্ধকৈ প্ৰচাৰ কৰিবলৈ।

ছেপ্তেম্বৰ ১০ ঃ কাৰাগাৰত পৰিচৰ্য্যা কৰা ঈশ্বৰৰ দাসসকলৰ বাবে।

ছেপ্তেম্বৰ ১১ ঃ এই পৃথিৱীত তেওঁৰ ৰাজ্য স্থাপন কৰিবলৈ আমাক দৰ্শন দিয়াৰ বাবে।

ছেপ্তেম্বৰ ১২ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ যুৱক-যুৱতীসকলৰ মুকলি পৰিচৰ্য্যাৰ বাবে।

ছেপ্তেম্বৰ ১৩ ঃ নিচা আসক্ত আৰু মন্দ কাৰ্য্য কৰা লোকসকলে মনপালটন কৰিবৰ বাবে।

ছেপ্তেম্বৰ ১৪ ঃ খ্ৰীষ্টিয়ান অনুস্থানবিলাক আৰু মণ্ডলীবিলাকৰ ওপৰত আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে।

ছেপ্তেম্বৰ ১৫ ঃ মহিলা আৰু শিশুসকলৰ বিৰুদ্ধে অপৰাধ বন্ধ হ'বলৈ।

ছেপ্তেম্বৰ ১৬ ঃ আমাৰ জ্যেষ্ঠ পালকৰ আত্মজীৱনী লিখাত ঈশ্বৰৰ অনুমতি আৰু সহায়ৰ বাবে।

ছেপ্তেম্বৰ ১৭ ঃ আমাৰ কেন্দ্ৰ মণ্ডলী আৰু আশা মণ্ডলীবিলাকৰ বিশ্বাসীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিয়ালবৰ্গৰ কল্যাণৰ বাবে।

ছেপ্তেম্বৰ ১৮ ঃ আমাৰ জ্যেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজৰ বিভিন্ন পৰিচৰ্য্যাৰ বাবে নতুন দৰ্শন পাবলৈ আৰু আশীৰ্বাদ পাবলৈ।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

**ভয়ত তেওঁলোকৰ হৃদয় পমি গৈছিল।** এটা মুহূৰ্তত তেওঁলোকে যিৰীহোৰ বিজয়ৰ যোগেদি ঈশ্বৰৰ মঙ্গলক উপভোগ কৰি আছিল, তেতিয়া অকস্মাতে এটা সৰু নগৰে তেওঁলোকক খেদি খেদি ধ্বংস কৰিলে; এতিয়া তেওঁলোকে ভয়ত মনে মনে বহি আছে। যিহোচূৱাই একোকে বুজি নাপালে যে তেওঁলোকৰ ভুল ক'ত হ'ল। গতিকে তেওঁ ঈশ্বৰৰ ওচৰলৈ গৈ প্ৰভুৰ নিয়ম চন্দুকৰ আগত দীঘল দি পৰি দিলে। ঈশ্বৰৰ উপস্থিতিতকৈ আন কোনো উত্তম ঠাইনাই। আমি যেতিয়া সংগ্ৰাম, যুদ্ধ, যন্ত্ৰণাবিলাকক নিয়ন্ত্ৰণ কৰিব নোৱাৰো, তেতিয়া আমি যীচুৰ ওচৰলৈ গৈ তেওঁৰ চৰণত পৰিবলৈ শিকিব লাগে। বহুত সময়ত আমি এই মূল্যৱান ঠাইডোখৰক পাহৰি বন্ধুসকল, পৰিয়ালসকল বা পালকসকলক ক'বলৈ সিদ্ধান্ত লওঁ - মোক ভুল নুবুজিব, এইদৰে কৰাটোক মই ভুল বুলি কোৱা নাই - কিন্তু আমাৰ প্ৰথম ঠাইডোখৰ হৈছে যীচুৰ চৰণ। এই কথাটো মৰিয়মে ভালদৰে জানিছিল! যিদৰে কনানীয়া তিৰোতাগৰাকীয়ে তাইৰ জীয়েকৰ সুস্থতাৰ বাবে যীচুৰ চৰণত পৰিছিল সেইদৰে মৰিয়মেও কৰিছিল। যাকোবে ঈশ্বৰৰ দূতক ভৰিত ধৰি লৈ কৈছিল, তুমি মোক আশীৰ্বাদ নকৰালৈকে মই তোমাক এৰি নিদিও। যিদৰে আমি পঢ়িলো, যদি আপুনি ঈশ্বৰৰ পৰা কিবা বিচাৰি আছে, প্ৰথমে তেওঁৰ চৰণত পৰি দিয়ক! মানুহৰ চৰণত পৰাৰ পৰিৱৰ্তে তেওঁৰ চৰণত পৰি দিয়াই উত্তম। আৰু কওক, "হে প্ৰভু, তুমি মোৰ জীৱনত কিবা এটা উত্তম কাৰ্য্য নকৰালৈকে মই তোমাকএৰি নিদিও।"

ঈশ্বৰে যিহোচূৱাৰ জীৱনত কিবা কাৰ্য্য কৰাৰ আগতে যেতিয়া যিহোচূৱাই ঈশ্বৰৰ বেদীৰ আগত মূৰ দোৱাইছিল তেতিয়া ঈশ্বৰে যিহোচূৱাক দেখুৱাইছিল যে ঈশ্বৰৰ সহায় পাবলৈ তেওঁ কি কৰিব লাগে। তেওঁ সমস্যাৰ সমাধান পাবলৈ তেওঁলোক পৰাজয় হোৱাৰ কাৰণ দেখুৱাবলৈ বিচাৰিলে। প্ৰিয় বন্ধুসকল, যদি আপুনি আপোনাৰ জীৱনত ঈশ্বৰে কিবা পৰিৱৰ্তন কৰাটো বিচাৰে, তেন্তে ঈশ্বৰক প্ৰথমে এইদৰে কওক, "হে প্ৰভু, তুমি মোৰ জীৱনত পৰিৱৰ্তন কৰা বিষয়টোনো কি?" **ঈশ্বৰে যিহোচূৱাক ক'লে,** "উঠা! **তুমি তললৈ মুখ কৰি মাটিত কে'লেই পৰি আছা? ইস্ৰায়েলে পাপ কৰিলে !... সেই নিমিত্তেইস্ৰায়েলে শত্ৰুৰ আগত থিয় হ'ব নোৱাৰিলে ...** (যিহোচূৱা ৭ঃ১০-১২)।

এই ভয়ংকৰ পৰিণতিত অভিজ্ঞতাৰ কাৰণ কওঁতে ঈশ্বৰে যিহোচূৱালৈ স্পষ্টকৈ কৈ দিছিল। ঈশ্বৰে যিহোচূৱাক ব্যাখ্যা কৰি ক'লে যে এজন মানুহৰ অবাধ্যতাৰ বাবে গোটেই দেশখনেই পৰাজয় হ'ল। তেওঁবিলাকে ঈশ্বৰৰ আদেশবোৰক পালন কৰাত একেবাৰেই ব্যৰ্থ হৈছিল। প্ৰিয় বন্ধুসকল, আমাৰ জীৱনবিলাক ঈশ্বৰৰ ইচ্ছাৰ লগত লগ লগাই ৰাখিবলৈ হ'লে বাধ্য হোৱাটো বহুত গুৰুত্বপূৰ্ণ হয়। বলিদানতকৈ বাধ্যতাই উত্তম, আংশিকভাৱে নহয় সম্পূৰ্ণ বাধ্য হ'ব লাগিব। আংশিকভাৱে বাধ্য হোৱাটো একেবাৰে বাধ্য হোৱাটোক নুবুজায়! যদি ঈশ্বৰে আপোনাক কিবা কৰিবলৈ কৈছে, অনিচ্ছা নকৰিব, সন্দেহ নকৰিব, পৰিণামৰ বিষয়ে চিন্তা নকৰিব, মুঠতে কৰি যাওঁক!

## আখোৰ উপত্যকা!

### ১। অপমান আৰু অসন্মানৰ চিন!

যিৰীহোৰ বিষয়ে ঈশ্বৰে দিয়া পৰামৰ্শ একেবাৰেই স্পষ্ট আছিল। তেওঁ ক'লে, **তোমালোকে সেই বৰ্জিত বস্তুৰ পৰা তোমালোকক সাৱধানে ৰাখিবা; নহ'লে তাক বৰ্জিত কৰাৰ পাছত বৰ্জিত বস্তুৰ কিছুল'লে, তোমালোকে ইস্ৰায়েলৰ ছাউনীকো বৰ্জিত কৰি দুখত পেলাবা** (যিহোচূৱা ৬ঃ১৮)।

কিন্তু আখানে তেওঁৰ দৃষ্টিত যি যি আকৰ্ষণীয় তাক গোটালে আৰু লুকুৱাই ৰাখিলে। মূৰ্খ আখানে ঈশ্বৰৰ দৃষ্টি শক্তিক অৱজ্ঞা কৰিলে। আখানলৈ ঈশ্বৰৰ খং উঠিল! **লুটদ্ৰব্যৰ মাজৰ এটা উত্তম কৰিবলগীয়া চোলা, দুশ চেকল ৰূপ আৰু পঞ্চাশ চেকল জোখৰ জিভাৰ আকৃতিৰ এচটা সোণ জুখি, লোভতে মই সেইবোৰ ল'লো, চোৱা, সেইবোৰ মোৰ তম্বুৰ ভিতৰত মাটিত পোতা আছে আৰু সেইবোৰৰ তলতে ৰূপো আছে** (যিহোচূৱা ৭ঃ২১)

আখানৰ সিদ্ধান্তই এক গভীৰ পৰিণাম আনিলে। আখানৰ ভাৰ্য্যা আৰু তেওঁৰ সন্তানবিলাকৰ ওপৰত এক ডাঙৰ প্ৰভাৱ পৰিল-ইমানেই প্ৰভাৱ পৰিল যে তেওঁলোকৰ পিতৃৰ ভুলৰ বাবে তেওঁলোকে নিজ প্ৰাণ দিবলগীয়া হ'ল। সমস্ত জাতিৰ আগত তেওঁৰ ভাৰ্যা আৰু তেওঁ সন্তানবিলাকক শিল দলিয়াই মৰা হ'ল। এইটোৱেই কেৱল তেওঁলৈ অপমান আনিলে এনে নহয় বৰং তেওঁৰ গোটেই পৰিয়াললৈ আনিলে।


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS

মাধ্যম ঃ তামিল

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ★ ECHO OF HIS CALL ★ Estd. 1969

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল
আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

Diploma in Ministry : One year
Diploma in Theology : Two years
Bachelor of Theology : Three years

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

গুপুতভাৱে আমি যিহকে কৰো তাৰেই গভীৰ পৰিণাম বাহিৰলৈ ওলাই আহে। আখানে গোপনভাৱে চুৰ কৰি লুকুৱাই ৰাখিম বুলি ভাবিছিল। কিন্তু ঈশ্বৰে ইয়াক পোহৰলৈ প্ৰকাশ কৰিলে। যাৰ ফলত আখান আৰু তেওঁৰ পৰিয়ালবৰ্গই শাস্তি পালে। গতিকে আমি গোপনভাৱে কি কৰো তালৈ সাৱধান হ'ব লাগে। **কাৰণ ঈশ্বৰে ভাল কি বেয়া আটাইবোৰ গুপুত বিষয়ে সৈতে সকলো কৰ্ম বিচাৰ স্থানলৈ আনিব** (উপদেশক ১২ঃ১৪)। ঈশ্বৰৰ পৰা ক্ষমা বিচাৰিবৰ বাবে এক মিনিটত এটা সুযোগ লওক, যাতে আমাৰ গোপন কাৰ্য্যবিলাকৰ বাবে আমাৰ সন্তানবিলাকৰ ওপৰত প্ৰভাৱ নপৰে।

আমাৰ কাৰ্য্য এজন ব্যক্তিৰ সৈতে শেষ হৈ নাযায়। ইয়াত মিছা প্ৰভাৱ বহুত আছে। মোৰ পচন্দ, মোৰ সিদ্ধান্ত আৰু মোৰ অবাধ্যতা এনে চিন্তাধাৰাই আমাৰ ভৱিষ্যতৰ প্ৰজন্মলৈ বহুত ডাঙৰ প্ৰভাৱ পেলাব, যি কি নহওক, কালবাৰীৰ ক্ৰুচৰ বাবে প্ৰভুক ধন্যবাদ জনাওঁ। **কিয়নো এজন মানুহৰ আজ্ঞা লংঘনৰ দ্বাৰাই যেনেকৈ অনেকক পাপী কৰা হ'ল, তেনেকৈ এজনাৰ আজ্ঞা পালনৰ দ্বাৰাই অনেকক ধাৰ্মিক কৰা হ'ব** (ৰোমীয়া ৫ঃ১৯)।

মই এই আখানৰ কাহিনীক তেওঁৰ পৰিয়ালৰ দৃষ্টিকোণৰ পৰা চাইছো। তেওঁৰ ভাৰ্য্যা আৰু সন্তানবিলাকে এনে পৰিস্থিতিৰ বাবে কি ভাবি আছিল? এই পাপকাৰ্য্যত তেওঁলোক অংশগ্ৰহণ কৰাৰ বিষয়ে কোনো উল্লেখ নাই। গতিকে আমাৰ সন্দেহক স্পষ্ট কৰিবৰ বাবে, ভাবি লওঁ যে তেওঁলোক এই বিষয়ত অৱগত নাছিল। এদিন ধুনীয়া ৰাতিপুৱা, আপোনাক সম্পূৰ্ণ জাতিৰ পৰা পৃথক কৰি দিয়া হ'ল, অভিযোগ কৰা হ'ল, অপমানিত কৰা হ'ল, আপুনি নকৰা কাৰ্য্যৰ বাবে আপোনাক লজ্জিত কৰা হ'ল, কিয়নো আচল ভুল আন কোনোবাইহে কৰিছিল।

আপুনি এতিয়া পঢ়ি থকাৰ সময়ত ভাবিব পাৰে আন কোনোবাৰ ভুলৰ বাবে এনে পৰিস্থিতিত আছে। মই কিয় ইয়াৰ বাবে শাস্তি ভুগিব লাগে? ই কিবা ন্যায় হ'লনে? এই বিষয়ত ঈশ্বৰে কিয় একো কৰা নাই?

আনহাতে সিহঁতে কিবা নহয় কিবা এটা জানিছিল - তেওঁলোকে নিশ্চয় দেখিছিল যে সি কিবা লুকুৱাই ৰাখিছে কিন্তু দেখিও মনে মনে থাকিল। মই ভাবিছো, মইনো কিয় এই বিষয়টোক গুৰুত্ব দিব লাগে? ইয়াকে কোৱা হয় মৌন অংশগ্ৰহণকাৰী। কেতিয়াবা আমি বুজাৰ প্ৰয়োজন আছে যে যিকোনো কাৰ্য্য প্ৰভুৰ বিৰুদ্ধে হ'লে আমি মনে মনে থাকিব নোৱাৰো। সত্যৰ বাবে আমি থিয় হ'ব লাগিব।

আখানৰ পাপৰ বাবে ঈশ্বৰৰ আগত ইস্ৰায়েল দোষী হৈ থিয় হ'ল। কেৱল এজন মানুহে অবাধ্যতাৰ কাৰ্য্য কৰিলে, কিন্তু আটাই ইস্ৰায়েলক ইয়াৰ বাবে দায়ী কৰা হ'ল। এজন মানুহৰ পাপৰ বাবে ঈশ্বৰেনো কিয় আটাই জাতিক শাস্তি দিব লাগে? এই পৃথিৱীলৈ পাপনো কিয় আহে? এজন মানুহৰ অবাধ্যতাৰ প্ৰভাৱ গোটেই পৃথিৱীৰ ওপৰত পৰিছিল। কিন্তু ঈশ্বৰক ধন্যবাদ জনাও যে এজন মানুহৰ বাধ্যতা (যীচুখ্ৰীষ্ট) ই আমালৈ পৰিত্ৰাণ আনিলে! আখানৰ পাপে গোটেই জাতিলৈ প্ৰভাৱ পেলালে!

## ২। গুপুত পাপৰ প্ৰতীক !

আখানৰ অবাধ্যতাই তেওঁৰ পাপক লুকুৱালে। তেওঁ কি কৰিছিল তাক কোনেও জনা নাছিল। তেওঁৰ অভিলাষ, লোভ ইত্যাদি কেৱল তেওঁৰেই জীৱন নহয় তেওঁৰ পৰিয়ালৰ জীৱনৰ

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰছিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| Account Name | : | ECHO OF HIS CALL EDUCATIONAL TRUST |
| Account Number | : | 1023 2923 805 |
| Bank Name | : | STATE BANK OF INDIA |
| Branch | : | TRIPLICANE, CHENNAI - 600 005 |
| IFSC Code | : | SBIN 0000249 |
| SWIFT Code | : | SBI NIN BB 455 |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**




## আচৰিত কাৰ্য্যৰ বাবে তেওঁত বিশ্বাস কৰক !

১৯৭১ চনত মোৰ পৰিচৰ্য্যা জীৱনৰ প্ৰথম দিনবিলাকৰ সময়ত, মই চেনাইত ডাকঘৰত মোৰ ডাকবাকচৰ বাবে আবেদন কৰিছিলো আৰু মই ২৯৫৭ নম্বৰৰ ডাক বাকচ পালো। সেই দিনবিলাকত মই পত্ৰ গ্ৰহণ কৰাটো বহুত প্ৰয়োজন আছিল, কিয়নো মোৰ এনে কোনো স্থায়ী ঠিকনা নাছিল।

তেতিয়াৰ দিনত মই বিষম আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হৈছিলো কিয়নো মই মোৰ পৰিচৰ্য্যাৰ কাৰ্য্যকলাপসমূহ মোৰ মাহেকীয়া দৰমহাৰ পৰা চলাবলগীয়াত পৰিছিলো। বিভিন্ন সময়ত মই ভোকত থাকিবলগীয়া হৈছিলো আৰু আৰ্থিকভাৱে কষ্টৰ সন্মুখীন হৈছিলো। কিন্তু ঈশ্বৰ মোৰ লগত আছিল আৰু মই মোৰ পৰিচৰ্য্যাৰ সকলো প্ৰয়োজনীয় বস্তুবিলাকৰ বাবে তেওঁত ভাৰসা কৰিবলৈ সমৰ্থ হৈছিলো আৰু মোৰ ওপৰত ঈশ্বৰৰ হাত থকা দেখি পাইছিলো।

১৯৭৬ চনত মই এটা সময়ত, তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীৰ বাবে ছপাশালত বিল পৰিশোধ কৰিব পৰ নাছিলো। মই বহুত দিন ধৰি প্ৰাৰ্থনা কৰি আছিলো কিন্তু মই ঈশ্বৰৰ পৰা কোনো উত্তৰ পোৱা নাছিলো। মই মোৰ ডাক বাকচৰ সুবিধা বাতিল কৰি ৫০০ টকা জমা ধন ঘূৰাই লোৱাৰ বাহিৰে মোৰ হাতত আন কোনো উপায় নাছিল।

গতিকে মই ডাক ঘৰলৈ গ'লো আৰু পোষ্ট মাষ্টৰক মোৰ ডাক বাকচৰ সুবিধাটোক বাতিল কৰিবলৈ এখন আবেদন লিখি দিলো আৰু মোৰ জমা ধন ৫০০ টকা ঘূৰাই দিবলৈ অনুৰোধ কৰিছিলো। তেওঁ মোক বুজাই ক'বলৈ চেষ্টা কৰিছিল যে নিজৰ বাবে ডাক এটা বাকচ পাবলৈ কিমান যে অসুবিধা হয় আৰু মোৰ আবেদনৰ প্ৰতি কাৰ্য্য কৰিবলৈ পলম কৰি আছিল। মই সহায়হীন হৈ পৰিছিলো আৰু দুখিত হৈছিলো। অৱশেষত, পোষ্ট মাষ্টাৰজনে ডাক বাকচৰ সুবিধাক বাতিল কৰিলে আৰু ৫০০ টকা ঘূৰাই দিছিল।

## যিজনাই হীন-অৱস্থাৰ কালত আমাক সুঁৱৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে। (গীতমালা ১৩৬ঃ২৩)।

কিন্তু মই পোষ্ট মাষ্টৰৰ অফিচৰ পৰা ওলাই যাবলৈ লওঁতেই, ডাকঘৰৰ কৰ্মী এজনে, তেওঁৰ নাম আছিল শ্ৰী গবিন্দান, তেওঁ মোক লগ কৰি মই মোৰ ডাক বাকচ বাতিল কৰাৰ কাৰণটো সুধিলে। মোৰ আৰ্থিক দুৰৱস্থাৰ বিষয়ে মই তেওঁক ক'লো। তেওঁ ততালিকে কিছুমান টকাৰ ব্যৱস্থা কৰিলে আৰু মোক পুনৰ পোষ্ট মাষ্টৰৰ ওচৰলৈ নিলে আৰু মোৰ পৰিচৰ্য্যাত সহায় হ'বলৈ পোষ্ট মাষ্টৰক হেঁচা দি সেই একেটা ডাক বাকচ ঘূৰাই আনিলে। আমি এতিয়াও সেই একেখন পোষ্ট বাকচ আমাৰ পৰিচৰ্য্যাৰ বাবে ব্যৱহাৰ কৰি আছো। ঈশ্বৰৰ মহিমা হওক!

মোৰ জীৱনৰ উত্থান-পতনৰ সময়ত, ঈশ্বৰ বহুত বিশ্বাসী হৈ আছিল। মোৰ দৰিদ্ৰতাৰ সময়ত, ৰোগৰ সময়ত আৰু আন আন সমস্যাৰ সময়ত মোক সহায় কৰিবলৈ তেওঁ তেওঁৰ স্বৰ্গদূত পঠাই দিছিল। তেওঁ মহান ঈশ্বৰ হয়। সেই একেজনা ঈশ্বৰে যিকোনো লোকৰ জীৱনত যিকোনো সময়ত আচৰিত কৰ্ম কৰিব পাৰে। প্ৰিয় পঢ়ুৱৈ, আপুনিও আপোনাৰ জীৱনত আচৰিত কৰ্ম পাবলৈ তেওঁত বিশ্বাস কৰিব পাৰে।

---

লগত শেষ হ'ল। গীতমালা ১৩৯ ত কয়, ঈশ্বৰে সকলো জানে।

**যে যিহোৱা, তুমি মোৰ বুজ-বিচাৰ লৈ মোক জানিলা। তুমি মোৰ বহা আৰু উঠাকো জানিছা, দূৰৈৰপৰা মোৰ চিত্তো বুজিছা। তুমি মোৰ চলন আৰু শয়ন বিচাৰ কৰিছা আৰু মোৰ সকলো পথ চিনি পাইছা। কিয়নো চোৱা,** হে যিহোৱা, তুমি যি কথা **সম্পূৰ্ণকৈ নাজানা, এনে কোনো কথা মোৰ জিভাত নাই।**

যেতিয়া আমি আমাৰ পাপবোৰক লুকুৱাই ৰাখো, ইয়াৰ এটা গভীৰ পৰিণাম আছে। যি ঠাইত এইবোৰ লুকুৱাই ৰখা হ'ব তাক পোহৰলৈ অনা হ'ব। **কিয়নো তেওঁবিলাকৰ সকলো পথত মোৰ চকু আছে, তেওঁবিলাক মোৰ পৰা গুপুতে নাথাকিব বা তেওঁবিলাকৰ অপৰাধ মোৰ দৃষ্টিৰ অগোচৰ নহ'ব** (যিৰিমিয়া ১৬ঃ১৭)।

ঈশ্বৰে আমাৰ গুপুত ৰহস্যবিলাক জানে। এইবোৰক আমি ঈশ্বৰৰ আগত মুকলি কৰি দিব লাগে। তেওঁৰ অনুগ্ৰহেই আমাৰ বাবে জুৰিব। গতিকে আমি আখানৰ দৰে সন্মুখীন হোৱাৰ প্ৰয়োজন নাই। ঈশ্বৰে আমাৰ হৃদয়ৰ ইচ্ছাবোৰক জানে। আমি কি আৰু কিয়বোৰক পোহৰলৈ আনিবলৈ সদায় যি যি কৰো তাৰ পাছত আভ্যন্তৰীণ প্ৰেৰণা আছে। আনকি আমাৰ আন্ধাৰত থকা বিষয়বস্তুবোৰক পৰাজয়ৰ ঠাইৰ পৰা অপমান আৰু নিৰাশাৰ ঠাইৰ পৰা গুচাব বিচাৰো, তেন্তে আমি শুদ্ধ মনেৰে ঈশ্বৰৰ আগলৈ আহিব লাগিব। ঈশ্বৰৰ আগত নিষ্ঠাৱান হওঁক; পুৰণি নিয়মৰ দৰে এতিয়া আমাৰ বাবে যীচু খ্ৰীষ্টৰ তেজ আছে। এতিয়া যদি আমি বিচাৰো তেওঁ আমাৰ মধ্যস্থকাৰী হৈ আমাক ধুই দিব।

**তাতে আখানে উত্তৰ দি যিহোচুৱাক ক'লে, “সঁচাকৈ মই ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ**

**অহিতে পাপ কৰিলো, মই এনে তেনে কাৰ্য্য কৰিলো; লুট দ্ৰব্যৰ মাজৰ এটা উত্তম বাবিলীয়া চোলা, দুশ চেকল ৰূপ আৰু পঞ্চাশ চেকল জোখৰ জিবাৰ আকৃতিৰ এচটা সোণ দেখি, লোভতে মই সেইবোৰ ল'লো; চোৱা, সেইবোৰ মোৰ তম্বুৰ ভিতৰত মাটিত পোতা আছে আৰু সেই বোৰৰ তলতে ৰূপো আছে"। তাতে যিহোচুৱাই দূত পঠালত, তেওঁবিলাকে তাৰ তম্বুৰ ভিতৰলৈ লৰি গ'ল আৰু চোৱা, সেই বস্তু তাৰ তম্বুৰ ভিতৰত পোতা আছে আৰু সেইবোৰৰ তলত ৰূপো আছে। তেতিয়া তেওঁবিলাকে তম্বুৰ ভিতৰৰ পৰা সেই বস্তুবোৰ লৈ যিহোচুৱাৰ আৰু ইস্ৰায়েলৰ সকলো সন্তানৰ গুৰিলৈ আনি যিহোৱাৰ আগত সেইবোৰ থ'লে।** (যিহোচুৱা ৭ঃ২০-২৩)।

অনুগ্ৰহ কৰি আমি নিজকে পৰীক্ষা কৰি চাওঁ। আমাৰ জীৱনত গুপুত পাপবোৰ আছেনে? যেতিয়া কোনেও নেদেখে তেতিয়া আপুনি কি কৰে? আপুনি আপোনাৰ ফোনত কি ধৰণৰ কাৰ্য্যসূচীবোৰ চায়? আপুনি ঈশ্বৰৰ সৈতে সময় খৰচ কৰাতকৈ সামাজিক মাধ্যমত অধিক সময় খৰচ কৰি আছেনে? আমি আমাৰ সমস্যাৰ বিষয়ে কেৱল কৈ থাকোনে বা আমাৰ প্ৰতিশ্ৰুতিবিলাকক দাবী কৰোঁ? আপোনাৰ এটা গুপুত জীৱন আছেনে? এতিয়াই আমি ঈশ্বৰৰ সৈতে হৃদয়ৰ পৰা হৃদয়লৈ কথা পাতিব লাগে। **বন্ধ কোঠালীত আমি কি কৰো সেইয়াহে** আচল কথা! **ঈশ্বৰৰ বাক্য অধিক অধ্যয়ন কৰক আৰু অধিক প্ৰাৰ্থনা কৰক।**

### ৩। নতুনৰ আৰম্ভণি আৰু আশাৰ এক প্ৰতীক !

আখোৰ উপত্যকা, পৰাজয়, নিৰাশ, লজ্জিত আৰু মৃত্যুৰ এক প্ৰতীক হয় আৰু এতিয়া আশা আৰু নতুন আৰম্ভণিৰ এক প্ৰতীক হৈ পৰিছে। ই আশাৰ এক দ্বাৰ হৈ পৰিছে। হোচেয়া ২ঃ১৫। ই কেনেদৰে সম্ভৱপৰ হ'ব?

আখানৰ আৰু তেওঁৰ পৰিয়ালৰ মৃত্যু (ঈশ্বৰে দিয়া শাস্তি) ৰ পাছত ইস্ৰায়েলৰ আটাই জাতিবিলাকে ঈশ্বৰৰ ওচৰত পাপ স্বীকাৰ কৰিলে। ঈশ্বৰে এবাৰ পাপক নিৰাময় কৰাৰ পাছত তেওঁ আমাক সহায় কৰিব বিচাৰে। তেওঁ আৰু কেতিয়াও তেওঁবিলাকক লৈ খং কৰি নাথাকিব। আকৌ আমি ক্ৰুচৰ দ্বাৰাই ইমানেই আশীৰ্বাদপ্ৰাপ্ত হ'লো যে আমি আৰু কেতিয়াও শাস্তি ল'ব নালাগে। যেতিয়া আমি আমাৰ পাপবোৰক স্বীকাৰ কৰো, **তেওঁ বিশ্বাসী হৈ আমাৰ পাপবোৰক ক্ষমা কৰে। আৰু সেই ঠাইৰ পৰা তাই অহা মাত্ৰকে তাইৰ দ্ৰাক্ষাবাৰী আৰু আশাৰ দুৱাৰস্বৰূপে আখোৰ উপত্যকা মই তাইক দিম; আৰু তাইৰ যৌৱন কালৰ নিচিনাকৈ আৰু তাই মিচৰ দেশৰ পৰা ওলাই অহা দিনৰ নিচিনাকৈ তাই তাত অনুগ্ৰহ স্বীকাৰ কৰিব।** হোচেয়া ২ঃ১৫। এই ঠাইডোখৰ আশীৰ্বাদৰ ঠাই হ'ল।

হ'ব পাৰে আপুনি এই শাস্ত্ৰ-পাঠটি পঢ়ি থকাৰ সময়ত আপুনি ভাবিব পাৰে যে আপুনি একেবাৰে অচল অৱস্থাত আহি গৈছে; তাৰ পৰা ওলাই যাবলৈ কোনো পথ নাই; আপোনাৰ চাৰিওফালে থকা পৰিস্থিতিবোৰ অতি ঋণাত্মক হৈ আছে; অলপ আগতে আপুনি এটা ডাঙৰ বেয়া খবৰ পাইছে আৰু আপুনি ভাবিব পাৰে মোৰ জীৱন এক শেষ অৱস্থালৈ আহিছে! মোৰ প্ৰিয় ভাই আৰু ভনীসকল, প্ৰভু যীচু খ্ৰীষ্টই এই পৃথিৱীলৈ অসম্ভৱ বস্তুক সম্ভৱপৰ কৰিবলৈ আহিছে। তেওঁ মৃত গৰ্ভক জীৱন দিবলৈ সমৰ্থ হৈছিল; এজন মৃত লোকক জীৱন দান কৰিছিল। বন্ধ চকুবোৰ মুক্ত কৰিছিল; য'ত কোনো পথ নাছিল, তাত তেওঁ পথ উলিয়াই দিছিল। আপুনি নিজকে একেবাৰে আশাহীন ব্যক্তি বুলি ভাবিছেনে? মোৰ ওচৰত আপোনাৰ বাবে এটা ভাল খবৰ আছে। য'ত আপোনাক লজ্জিত কৰা হৈছিল সেই ঠাইতেই প্ৰভুৱে আপোনাৰ মূৰ তুলিব। তেওঁ তোমাৰ শিঙক উন্নত কৰিব আৰু শত্ৰুবোৰৰ মাজত তোমাক নতুন তেলেৰে অভিষিক্ত কৰিব। কিন্তু তেনে ঘটিবলৈ হ'লে আমি কিবা এটা কৰিব লাগিব। আমি ঈশ্বৰ লগত সৎ হৈ থাকিব লাগিব আৰু তেওঁৰ দৃষ্টিত যিবোৰ বস্তু সন্তোষজনক নহয় সেইবোৰ ত্যাগ কৰিব লাগিব। তেওঁৰ পৰা ক্ষমা বিচাৰিব লাগিব। আৰু তেওঁৰ পৰা সহায় বিচাৰিব লাগিব যাতে বাৰে বাৰে আমি সেই কাৰ্য্য পুনৰায় নকৰো।

ঈশ্বৰৰ সৈতে আমি আমাৰ সম্পৰ্কক উদ্ধাৰ কৰাটো বহুত প্ৰয়োজন। এবাৰ যদি আমি ঈশ্বৰৰ সৈতে আমাৰ সম্পৰ্কক সঠিক কৰি লওঁ আৰু তেন্তে আমাৰ দাবিবোৰক ক'মাত পৰিৱৰ্তন কৰিব। প্ৰভু ঈশ্বৰে আপোনাৰ হৈ এটা সুন্দৰ কাহিনী লিখিব আৰু ই অন্ত নহ'ব। যেতিয়া ঈশ্বৰৰ সম্পৰ্কক আপুনি উদ্ধাৰ কৰি ল'ব, আপুনি হেৰুৱা সকলো বস্তু উদ্ধাৰ হৈ যাব।

একেটা ঠাই (আখোৰ উপত্যকা), যি ঠাইত অশান্তি আছিল, শান্তিৰ ঠাইলৈ পৰিৱৰ্তন হ'ল যেতিয়া আপুনি ঈশ্বৰক বিচাৰিলে। আৰু **মোক বিচৰা মোৰ প্ৰজাবিলাকৰ নিমিত্তে চাৰোণ মেৰৰ জাকৰ গৰালস্বৰূপ হ'ব আৰু আখোৰ উপত্যকা গৰুৰ জাকবোৰৰ শোৱা ঠাই হ'ব** যিচয়া ৬৫ঃ১০।

প্ৰিয় ভাই আৰু ভনীসকল, আখোৰ উপত্যকাৰ পৰা আশাৰ দ্বাৰলৈ কৰা যাত্ৰাটো হৈছেঃ

- অপমানৰ পৰা আশালৈ কৰা এটি যাত্ৰা।
- ভগ্নতাৰ পৰা নতুন নিৰ্মাণলৈকে।
- নিৰাশ, বিফলতা, পৰাজয়, মৃত্যুৰ পৰা আনন্দদায়ক গন্তব্যস্থানলৈ কৰা যাত্ৰা।
- যদি আমি আমাৰ সমস্যা আৰু কষ্টবোৰক নিয়ন্ত্ৰণ কৰিবলৈ সিদ্ধান্ত লওঁ তেন্তে আমি আমাক আশা দিব পৰা ঈশ্বৰৰ সৈতে হাত মিলাও।
- যদি আমি আমাৰ দুখবোৰক/আখোৰ উপত্যকা এটা শিক্ষাৰ সময় বুলি সিদ্ধান্ত ল'ম। যদি আমি আমাৰ 'ক্লেশবোৰত ধৈৰ্য্য ধৰো আৰু ধৈৰ্য্যৰ অভিজ্ঞতাক ধৰো আৰু অভিজ্ঞতাৰ আশাক ধৰো।' এইটোৱেই নিয়ম।
- আমি ইয়াৰ পৰা শিক্ষা লোৱাৰ প্ৰয়োজন আছে যে এই প্ৰথম দুটা ক্লেশ আৰু ধৈৰ্য্য - ইয়াৰ অবিহনে আমি আশাক পাব নোৱাৰো।
- আমি বিশ্বাস কৰাৰ প্ৰয়োজন আছে যে আমাৰ অতীতৰ সকলো সময়ত তেওঁ মোক চলালে আৰু মোৰ লগত থাকিলে, আৰু তেওঁ মোক কেতিয়াও ত্যাগ নকৰিলে।
- যিকোনো শুধৰণি সন্তোষজনক নহয়। ই বহুত কঠিন হয়, যাতনাদায়ক আৰু বাধা দিয়াৰ দৰে হয় কিন্তু শেষত ইয়াৰ ফলাফলটো এটা মহান আশীৰ্বাদস্বৰূপ।

মই প্ৰাৰ্থনা কৰো যে আপুনি আজি যেতিয়া নিজকে ঈশ্বৰৰ হাতত সমৰ্পণ কৰিব, আপুনি বিচৰাতকৈ আৰু কল্পনা কৰাতকৈ অধিক দিবলৈ তেওঁ সমৰ্থ। আপোনাৰ আখোৰ উপত্যকা যীচুৰ নামত আশাৰ দ্বাৰ হৈ যাব!

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

***1. Bank : State Bank of India***

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

***2. Bank : ICICI Bank***

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

***3. Bank : State Bank of India***

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th AUGUST 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**